ভাৰতীয় ৰিজাৰভ বেঙ্ক (আৰবিআই)
মুদ্ৰা প্ৰৱন্ধন বিভাগ
নাগৰিক চনদ

1. নাগৰিক চনদৰ উদ্দেশ্য

এই নাগৰিক চনদে নোট আৰু খুচুৰা পইচাৰ আদান প্ৰদানৰ বিষয়ত ভাৰতীয় ৰিজাৰভ বেঙ্কে প্ৰদান কৰা বিভিন্ন সুবিধা আৰু আৰবিআই জাৰী কাৰ্য্যালয় আৰু বাণিজ্যিক বেঙ্কৰ শাখাবোৰত প্ৰদান কৰা সেৱাৰ উমৈহতীয়া মানদণ্ডৰ বিষয়ে তথ্য প্ৰদান কৰে।

2. ভাৰতীয় ৰিজাৰভ বেঙ্ক জাৰী কাৰ্য্যালয়বোৰত উপলব্ধ সেৱা

ৰিজাৰভ বেঙ্কৰ কাৰ্য্যালয়বোৰত, য'ত জাৰী বিভাগ সক্ৰিয় আছে, জনসাধাৰণক লেতেৰা আৰু উৱলি যোৱা সহ নোট আৰু অচল হোৱা বা উৱলি যোৱা সহ খুচুৰা পইচা সলনি কৰাৰ সুবিধা প্ৰদান কৰা হয়। বেঙ্কে ইয়াৰ কাউণ্টাৰবোৰত ব্যৱসায়ৰ সময়ৰ ভিতৰত সলনি কৰা সুবিধা বিনামূলীয়াকৈ প্ৰদান কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ।

3. সলনিৰ সুবিধা প্ৰদান কৰা ৰিজাৰভ বেঙ্কৰ কাৰ্য্যালয়বোৰৰ নাম

আহমেদাবাদ, বাঙ্গালোৰ, বেলাপুৰ (নৱী মুম্বাই), ভূপাল, ভুৱনেশ্বৰ, চন্দিগড়, চেন্নাই, গুৱাহাটী, হায়দৰাবাদ, জয়পুৰ, জম্মু, কানপুৰ, কোচী, কলকাটা, লক্ষ্ণৌ, মুম্বাই, নাগপুৰ, নতুন দিল্লী, পাটনা আৰু থিৰুৱনন্টপুৰমত অৱস্থিত বেঙ্কৰ আঞ্চলিক কাৰ্য্যালয়বোৰৰ কাউণ্টাৰত এই সুবিধা প্ৰদান কৰা হয়।

4. মুদ্ৰা বিতৰণ যন্ত্ৰৰ সহায়ত নোটৰ সলনি মুদ্ৰা প্ৰদান

জনসাধাৰণে ৰিজাৰভ বেঙ্কৰ আঞ্চলিক কাৰ্য্যালয়বোৰৰ বেঙ্কিং হলত স্থাপন কৰা মুদ্ৰা বিতৰণ যন্ত্ৰ ব্যৱহাৰ কৰি তেওঁলোকৰ নোটৰ সলনি মুদ্ৰা প্ৰাপ্ত কৰিব পাৰে।

5. বেঙ্কৰ ৰাজহুৱা কাউণ্টাৰত লেতেৰা হোৱা আৰু উৱলি যোৱা নোট সলনি কৰা

জনসাধাৰণে বেঙ্কৰ কাৰ্য্যালয়ৰ কাউণ্টাৰবোৰত নিম্নলিখিত সেৱাবোৰ প্ৰাপ্ত কৰিব পাৰে।

(ক) লেতেৰা নোট সলনি কৰা। যি নোট লেহুকা হৈছে বা ক্ষয় ক্ষতিৰ বাবে সামান্য ফাটিছে বা যি তেল, ৰং, চিয়াহী আদিৰ দ্বাৰা লেতেৰা হৈছে তেনে নোটক লেতেৰা হোৱা নোট বুলি গণ্য কৰা হব। সহজে সলনি কৰাৰ বাবে, উলম্বভাৱে বা মাজত বিভক্ত হোৱা আৰু নম্বৰবোৰ ঠিকে থকা নোটকো লেতেৰা হোৱা নোট বুলি গণ্য কৰা হব। ৰাজনৈতিক বা ধাৰ্মিক শ্লোগান লিখা থকা নোট যিকোনো পৰিস্থিতিতে সলনি কৰিব নোৱাৰি।

(খ) উৱলি যোৱা নোট সলনি কৰা। উৱলি যোৱা নোট হৈছে যি নোটৰ কিছু অংশ নাই বা যি কেইবা টুকুৰালৈ বিভক্ত হৈছে, কিন্তু এনে নোটত নোটখনৰ আধাতকৈ অধিক অংশ থাকিব লাগিব, আৰু যদি নোটখন জোৰা লগোৱা হৈছে তেনেহ'লে প্ৰতিটো অংশ 'নিৰ্ধাৰিত বিষয়া'ৰ [ভাৰতীয় ৰিজাৰভ বেঙ্ক (নোট ফিৰত) নিয়মত ব্যাখ্যা কৰা অনুসৰি] মতামত অনুসৰি একেখন নোটৰে চিনাক্ত কৰিব পৰা অংশ হব লাগিব।

ভাৰতীয় ৰিজাৰভ বেঙ্ক (নোট ফিৰত) নিয়মাৱলী, 1975 (1980 লৈকে সংশোধন কৰা অনুসৰি) ৰিজাৰভ বেঙ্কৰ ৱেবছাইট http://www.rbi.org.in–ত শিৰোনাম "প্ৰকাশন" আৰু উপ-শিৰোনাম "সাময়িক প্ৰকাশন"-ৰ অধীনত প্ৰকাশ কৰা হৈছে।

(গ) অচল মুদ্ৰা সহ মুদ্ৰাৰ সলনি নোট বা মুদ্ৰা প্ৰাপ্ত

6. ট্ৰিপল লক ৰিচেপ্টেকল বা ডাকৰ জৰিয়তে প্ৰাপ্ত উৱলি যোৱা /ফটা নোট সলনি কৰা

যিসকল লোকে বেঙ্কৰ কাউণ্টাৰত তেওঁলোকৰ উৱলি যোৱা/ফটা নোট জমা দিবলৈ অপেক্ষা কৰিব নোৱাৰে তেওঁলোকক নোট সলনি কৰা সুবিধা প্ৰদান কৰিবলৈ, বেঙ্কৰ কাৰ্য্যালয়বোৰত "ট্ৰিপল লক ৰিচেপ্টেকল (টিএলআৰ)" নামৰ এক তলা বন্ধ বাকচত উৱলি যোৱা/ফটা নোট জমা দিয়াৰ সুবিধা প্ৰদান কৰা হৈছে। টিএলআৰ বাকচটো নিৰ্ধাৰিত কাউণ্টাৰ এটাৰ ওচৰত ৰখা হয় আৰু নোটবোৰ এটা থামত বন্ধ কৰি বাকচটোত ভৰাই দিব পাৰি যি থাম অনুসন্ধান কাউণ্টাৰত প্ৰাপ্ত কৰিব পাৰি। জমাকৰতা সকলে তেওঁলোকে জমা দিয়া নোটৰ বিৱৰণ, তেওঁলোকৰ নাম, ঠিকনা আৰু বেঙ্ক একাউণ্ট নম্বৰ আৱৰণৰ ওপৰত লিখিব লাগে। জনসাধাৰণতে উৱলি যোৱা নোট ৰিজাৰভ বেঙ্কৰ কাৰ্য্যালয়লৈ বীমাকৃত আৰু পঞ্জীকৃত ডাকৰ জৰিয়তেও প্ৰেৰণ কৰিব পাৰে। তেওঁলোকৰ নিজৰ হিতৰ বাবে, এনে থাম পঞ্জীকৃত আৰু বীমাকৃত ডাকৰ জৰিয়তে প্ৰেৰণ কৰিব লাগে। সলনি কৰা নিয়মাৱলী অনুসৰি নোটবোৰৰ পৰিশোধ কৰিবলগা বিনিময় মূল্যটো জমাকৰতাৰ বেঙ্ক একাউণ্টত ইলেক্ট্ৰনিক ক্লিয়াৰিং চাৰ্বিডছ / ইলেক্ট্ৰনিক ফাণ্ড ট্ৰেন্সফাৰ (ইএফটি)-ৰ জৰিয়তে জমা দিয়া হয় যি ৰৰতমানে বিনামূলীয়া। জমাকৰতাৰ বেঙ্ক একাউণ্ট নাথাকিলে বা যদি তেওঁ এনে স্থানত বসবাস কৰে য'ত ক্লিয়েৰিং সুবিধা / ইএফটি সুবিধা উপলব্ধ নাই, বিনিময় মূল্যটো বেঙ্ক ড্ৰাফ্ট / মানী অৰডাৰ যোগে প্ৰেৰণ কৰা হব যাৰ বাবে লগা ব্যয় জমাকৰতাই পৰিশোধ কৰিব লাগিব। টিএলআৰ সুবিধাটো কেৱল উৱলি যোৱা/ফতা নোটৰ বাবে উপলব্ধ আৰু লেতেৰা হোৱা নোটৰ বাবে নহয়।

7. সেৱাৰ সাধাৰণ চৰতাৱলী

(i) বিনিময় সুবিধাটো বেঙ্কৰ কাৰ্য্যালয়বোৰত সংশ্লিষ্ট আঞ্চলিক কাৰ্য্যালয়ৰ কৰম সময়ৰ ভিতৰত উপলব্ধ আৰু ই বিনামূলীয়া।

(ii) প্ৰত্যেক কাৰ্য্যালয়ৰ বিনিময় সুবিধাটো উপলব্ধ কৰা কাউণ্টাৰৰ ক্ৰমিক নম্বৰবোৰ বেঙ্কৰ প্ৰতিটো কাৰ্য্যালয়ৰ বেঙ্কি হলত প্ৰদৰশন কৰা হয়।

(iii) বন্ধ থামত উৱলি যোৱা/ফটা নোট সাধাৰণ কৰমসময়ৰ এক ঘণ্টা পিছলৈ ট্ৰিপল লক ৰিচেপ্টেবলত প্ৰাপ্ত কৰা হয়।

(iv) উৱলি যোৱা/ফটা নোটবোৰ ভাৰতীয় ৰিজাৰভ বেঙ্ক (নোট ফিৰত) নিয়মাৱলীৰ অধীনত এক ৰেহাই হিচাপে বিনিময় কৰা হয়। যেতিয়া উৱলি যোৱা/ফটা নোটবোৰ নিয়ম অনুসৰি সলনি কৰিব নোৱাৰি, ইয়াক অগ্ৰাহ্য কৰা হয় আৰু জমাকৰতাক অগ্ৰাহ্য পত্ৰ এখন জাৰী কৰা হয়। অগ্ৰাহ্য কৰা নোটখন বেঙ্কে ৰাখি থয় আৰু চাৰি মাহ পিছত নষ্ট কৰি দিয়া হয়।

(v) নকল/জালী বুলি ধৰা পৰা নোট/মুদ্ৰাবোৰ বাজেয়াপ্ত কৰা হয় আৰু তাৰ বাবে কোনো মূল্য পৰিশোধ কৰা নহয়। এনে নোট/মুদ্ৰাবোৰ জমাকৰতাক পত্ৰ এখন জাৰী কৰি বেঙ্কে ৰাখি থয়।

(vi) ভাৰতীয় ৰিজাৰভ বেঙ্কে জাৰী কৰা বেঙ্ক নোটৰ সুৰক্ষাৰ বিশেষত্ববোৰ জনসাধাৰণক জনোৱাৰ বাবে বেঙ্কৰ ৱেবছাইট http://www.rbi.org.in/currency/banknotes.html–ত প্ৰকাশ কৰা হৈছে।

(vii) কোনো লোকে ওপৰোক্ত বিনিময় সুবিধাবোৰ যিকোনো ৰিজাৰভ বেঙ্কৰ কাৰ্য্যালয়ত প্ৰাপ্ত কৰাত অসুবিধাৰ সন্মুখীন হ'লে বা ঘোচ বিচৰা হ'লে, তেওঁ আঞ্চলিক কাৰ্য্যালয়ৰ অনুসন্ধান কাউণ্টাৰত ৰখা অভিযোগ বহী/ৰেজিষ্টাৰত তেওঁৰ অভিযোগ নথিভুক্ত কৰিব পাৰে বা তেওঁ সংশ্লিষ্ট ৰিজাৰভ বেঙ্কৰ কাৰ্য্যালয়ৰ জাৰী বিভাগৰ ভাৰপ্ৰাপ্ত বিষয়াক বিষয়টো অৱগত কৰিব পাৰে। ভাৰপ্ৰাপ্ত বিষয়াসকলৰ পদৱী আৰু ঠিকনা পৰিশিষ্টত সন্নিবিষ্ট কৰা হৈছে।

(xiv) ৰিজাৰভ বেঙ্কৰ কৰমচাৰী আৰু বিষয়া সকলে জনসাধাৰণৰ প্ৰতিজন লোকৰ সৈতে নম্ৰতা আৰু সহানুভূতিৰে ব্যৱহাৰ কৰিব। কৰমচাৰীসকল সহায়ক হব আৰু গ্ৰাহকৰ অনুসন্ধান আৰু অভিযোগৰ সঁহাৰি লগে লগে দিব।

8. বাণিজ্যিক বেঙ্কত লেতেৰা আৰু উৱলি যোৱা নোট সলনি কৰা

(i) ৰিজাৰভ বেঙ্কৰ কাৰ্য্যালয় কিছু অঞ্চলতহে আছে। সেয়েহে, ৰিজাৰেভ বেঙ্কে অনুসূচীত বাণিজ্যিক বেঙ্কৰ শাখাত লেতেৰা নোটৰ বিনিময়, নোটৰ সলনি মুদ্ৰাৰ বিনিময় আৰু মুদ্ৰাৰ সলনি নোটৰ বিনিময়ৰ ব্যৱস্থা কৰিছে। লেতেৰা নোট সলনি কৰা সুবিধাটো ৰাজহুৱা খণ্ডৰ বেঙ্কৰ সকলোবোৰ শাখাত আৰু ব্যক্তিগত খণ্ডৰ মুদ্ৰা ভাণ্ডাৰ শাখাত উপলব্ধ, আনহাতে উৱলি যোৱা আৰু ফটা নোট সলনি কৰা সুবিধাটো কেৱল বাণিজ্যিক বেঙ্কৰ মুদ্ৰা ভাণ্ডাৰ শাখাবোৰতহে উপলব্ধ। উৱলি যোৱা নোট সলনি কৰাৰ সুবিধা থকা মুদ্ৰা ভাণ্ডাৰ শাখাবোৰৰ তালিকা এখন ভাৰতীয় ৰিজাৰভ বেঙ্ক কাৰ্য্যালয়বোৰৰ অনুসন্ধান কাউণ্টাৰত উপলব্ধ। লগতে এনে মুদ্ৰা ভাণ্ডাৰ শাখাবোৰক উৱলি যোৱা নোট সলনি কৰাৰ সুবিধা উপলব্ধ থকাৰ বিষয়ে জাননী প্ৰদৰশন কৰিবলৈ নিৰ্দেশনা দিয়া হৈছে। এনে কোনো শাখাই বিনিময়ৰ সুবিধা প্ৰদান কৰিবলৈ অস্বীকাৰ কৰিলে, জনসাধাৰণে সংশ্লিষ্ট বাণিজ্যিক বেঙ্কৰ চেয়াৰমেন আৰু মেনেজিং ডাইৰেক্টৰ/মুখ্য কাৰ্য্যবাহী বিষয়াৰ ওচৰত অভিযোগ কৰিব পাৰে। অভিযোগটো নিষ্পত্তি কৰা নহ'লে, বিষয়টো ভাৰতীয় ৰিজাৰভ বেঙ্কৰ সংশ্লিষ্ট আঞ্চলিক কাৰ্য্যালয়ত অৱগত কৰিব পাৰি।

(ii) অন্যান্য বেঙ্কবোৰৰ শাখা যেনে কো-অপাৰেটিভ বেঙ্ক আৰু আঞ্চলিক গ্ৰাম্য বেঙ্কৰ শাখাবোৰে তেওঁলোকৰ সুবিধা অনুসৰি নোট আৰু মুদ্ৰা বিনিময় কৰিব বুলি আশা কৰা হৈছে। কিন্তু তেওঁলোকে উৱলি যোৱা নোট সলনি কৰাৰ অধিকাৰ নাই।

9. পৰামৰ্শ / মতামত

যদি নাগৰিক চনদখনৰ সম্পৰ্কত কোনো লোকে কোনো পৰামৰ্শ / মতামত আগবঢ়াব বিচাৰে, তেওঁ এই ঠিকনালৈ লিখিব পাৰে- মুখ্য সাধাৰণ প্ৰৱন্ধক, মুদ্ৰা প্ৰৱন্ধন বিভাগ, ভাৰতীয় ৰিজাৰভ বেঙ্ক, কেন্দ্ৰীয় কাৰ্য্যালয়, চহিদ ভগত সিং মাৰ্গ, মুম্বাই -400 001।

পৰিশিষ্ট

ভাৰতীয় ৰিজাৰভ বেঙ্কৰ জাৰী কাৰ্য্যালয়ৰ ঠিকনা আৰু তেওঁলোকৰ ক্ষেত্ৰাধিকাৰ

ক্ৰমিক নং	ৰিজাৰভ বেঙ্ক কাৰ্য্যালয়ৰ নাম আৰু ঠিকনা	ক্ষেত্ৰাধিকাৰ
1	জেনেৰেল মেনেজাৰ ভাৰতীয় ৰিজাৰভ বেঙ্ক, জাৰী বিভাগ, 2য় মহলা, গান্ধী দলঙৰ ওচৰত, আহমেদাবাদ 380014	গুজৰাট ৰাজ্য আৰু দাদৰ আৰু নগৰ হাৱেলি আৰু দমন অৰু ডিউ কেন্দ্ৰীয় শাসিত অঞ্চল
2	জেনেৰেল মেনেজাৰ ভাৰতীয় ৰিজাৰভ বেঙ্ক, জাৰী বিভাগ, 10/3/8, নৃপাঠুঙ্কা ৰোড, বাঙ্গালোৰ – 560001।	কৰ্ণাটক ৰাজ্য
3	ডেপুটি জেনেৰেল মেনেজাৰ ভাৰতীয় ৰিজাৰভ বেঙ্ক, জাৰী বিভাগ, প. জৱাহৰলাল নেহৰু মাৰগ, পোষ্ট বক্স নং 16, ভুৱনেশ্বৰ – 751001	উৰিষ্যা ৰাজ্য
4	জেনেৰেল মেনেজাৰ ভাৰতীয় ৰিজাৰভ বেঙ্ক, জাৰী বিভাগ, মুখ্য ভৱন, চহিদ ভগত সিং মাৰগ ফৰট, মুম্বাই – 400001।	বৃহত্তৰ মুম্বাই অৰথা□ মুম্বাই দ্বীপ আৰু উপকণ্ঠীয় জিলা (ক্ৰমান্বয়ে পশ্চিম আৰু কেন্দ্ৰীয় ৰেলৱেত দহিচৰ আৰু মুলুন্দ সংযোগ কৰা ৰেখাৰ প্ৰায় দক্ষিণে)
5	ডেপুটি জেনেৰেল মেনেজাৰ ভাৰতীয় ৰিজাৰভ বেঙ্ক, জাৰী বিভাগ, হোচঙ্গাবাদ ৰোড, পোষ্ট বক্স নং 32, ভূপাল 462011।	মধ্য প্ৰদেশ ৰাজ্য
6	ডেপুটি জেনেৰেল মেনেজাৰ ভাৰতীয় ৰিজাৰভ বেঙ্ক, জাৰী বিভাগ, প্লট নং 3, চেক্টৰ 10, এইচ এইচ নিৰমলা দেৱী মাৰগ, চিবিডি, বেলাপুৰ, নৱী মুম্বাই – 400614	মহাৰাষ্ট্ৰ ৰাজ্যৰ আহমেদনগৰ, কোলহাপুৰ, নাচিক, পুনে, ৰায়গড়, ৰত্নগিৰি, চাংলি, চটাৰা, সিন্ধুদুৰগ, চোলাপুৰ আৰু থানে জিলা আৰু গোৱা ৰাজ্য।
7	ডেপুটি জেনেৰেল মেনেজাৰ ভাৰতীয় ৰিজাৰভ বেঙ্ক, জাৰী বিভাগ, চেণ্ট্ৰেল ভিষ্টা, টেলিফোন ভৱনৰ বিপৰীতে, চেক্টৰ 17, চণ্ডিগড় – 160017	হাৰিয়ানা, হিমাচল প্ৰদেশ, পাঞ্জাৱ ৰাজ্য আৰু চণ্ডিগড় কেন্দ্ৰীয় শাসিত অঞ্চল
8	জেনেৰেল মেনেজাৰ ভাৰতীয় ৰিজাৰভ বেঙ্ক, জাৰী বিভাগ, ফৰট গ্লেচিচ নং 16, ৰাজাজী চালাই, পোষ্ট বক্স 40, চেন্নাই – 600001।	তামিলনাডু ৰাজ্য আৰু পণ্ডিচেৰী কেন্দ্ৰীয় শাসিত অঞ্চল।
9	জেনেৰেল মেনেজাৰ ভাৰতীয় ৰিজাৰভ বেঙ্ক, জাৰী বিভাগ, ষ্টেচন ৰোড, পানবজাৰ, পোষ্ট বক্স নং 120, গুৱাহাটী – 781001।	অসম, অৰুণাচল প্ৰদেশ, মণিপুৰ, মেঘালয়, মিজোৰাম, নাগালেণ্ড আৰু ত্ৰিপুৰা ৰাজ্য
10	জেনেৰেল মেনেজাৰ জাৰী বিভাগ ভাৰতীয় ৰিজাৰভ বেঙ্ক, 6-1-65, চেক্ৰেটেৰিয়েট ৰোড, চইফাবাড, হায়দৰাবাদ – 500004।	অন্ধ্ৰ প্ৰদেশ ৰাজ্য
11	ডেপুটি জেনেৰেল মেনেজাৰ ভাৰতীয় ৰিজাৰভ বেঙ্ক, জাৰী বিভাগ, ৰেল হেড কমপ্লেক্স, জম্মু – 180012।	জম্মু আৰু কাশ্মীৰ ৰাজ্য
12	জেনেৰেল মেনেজাৰ জাৰী বিভাগ ভাৰতীয় ৰিজাৰভ বেঙ্ক, ৰামবেগ চাৰকল, টোংক ৰোড, পোষ্ট বক্স নং 12, জয়পুৰ – 302 004।	ৰাজস্থান ৰাজ্য
13	জেনেৰেল মেনেজাৰ জাৰী বিভাগ ভাৰতীয় ৰিজাৰভ বেঙ্ক এম.জি. মাৰগ, পোষ্ট বক্স নং 82/142 কানপুৰ – 208001।	উত্তৰ প্ৰদেশ আৰু উত্তৰাঞ্চল ৰাজ্য
14	জেনেৰেল মেনেজাৰ জাৰী বিভাগ ভাৰতীয় ৰিজাৰভ বেঙ্ক, পোষ্ট বেগ নং 49 কলকাতা – 700001।	চিকিম, পশ্চিম বঙ্গ ৰাজ্য আৰু আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ কেন্দ্ৰীয় শাসিত অঞ্চল
15	জেনেৰেল মেনেজাৰ ভাৰতীয় ৰিজাৰভ বেঙ্ক, জাৰী বিভাগ, মুখ্য কাৰ্য্যালয় গৃহ, ড. ৰাঘৱেন্দ্ৰ ৰাও ৰোড, পোষ্ট বক্স নং 15, চিভিল লাইনচ, নাগপুৰ- 440001।	চত্তিশগড় ৰাজ্য আৰু মহাৰাষ্ট্ৰ ৰাজ্যৰ অকোলা, অমৰাৱতি, ঔৰঙ্গাবাদ, বীড়, ভান্দাৰা, বুলধনা, চন্দ্ৰপুৰ, ধুলে, গড়চিৰোলি, হিঙ্গোলি, জলগাওঁ, জালনা, লাটুৰ, নন্দেড়, ওচমনাবাদ, পাৰভনি, য়ৱাত্মল জিলা।
16	জেনেৰেল মেনেজাৰ ভাৰতীয় ৰিজাৰভ বেঙ্ক, জাৰী বিভাগ, 5, সংসদ মাৰগ, নতুন দিল্লী – 110001।	দিল্লী ৰাজ্য
17	ডেপুটি জেনেৰেল মেনেজাৰ ভাৰতীয় ৰিজাৰভ বেঙ্ক, জাৰী বিভাগ, দক্ষিণ গান্ধী ময়দান পোষ্ট বক্স নং 162, পাটনা – 800 001	বিহাৰ আৰু ঝাৰখণ্ড ৰাজ্য
18	ডেপুটি জেনেৰেল মেনেজাৰ ভাৰতীয় ৰিজাৰভ বেঙ্ক, জাৰী বিভাগ, বেকাৰী জংচন, পোষ্ট বক্স নং - 6507, থিৰুৱনণ্টপুৰম– 695033।	কেৰালা ৰাজ্য আৰু লাক্ষাদ্বীপ কেন্দ্ৰীয় শাসিত অঞ্চল